# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-04-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

## Headlines

--------------------

১।	গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰকে ধৰি দেশৰ ২৪ খন চহৰত ৱাটাৰ মেট্ৰ'ৰ প্ৰযুক্তিগত সম্ভাৱনীয়তা অধ্যয়নত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন।

২।	ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি পূৰ্ণগতিত অব্যাহত।

৩।	খানাপাৰা আৰু যোৰাবাটৰ মাজৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জৰুৰী মেৰামতিৰ বাবে এই পথছোৱাৰে যাতায়াত কৰা যান-বাহনসমূহৰ ক্ষেত্ৰত মহানগৰ আৰক্ষীৰ কেতবোৰ নিষেধাজ্ঞা আৰোপ।

৪।	অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন সমাৰোহত যাদৱ পায়েং আৰু পূৰ্ণিমা দেৱী বৰ্মনলৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী।	**আৰু**

৫।	১৪ বছৰ অনূৰ্ধ পুলিন দাস আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাত বৰপেটা জিলা ক্ৰিকেট দলৰ নামনি অসম মণ্ডলৰ খিতাপ অৰ্জন।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰালয়ে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰকে ধৰি দেশৰ ২৪খন চহৰত ৱাটাৰ মেট্ৰ'ৰ প্ৰযুক্তিগত সম্ভাৱনীয়তা অধ্যয়নত অনুমোদন জনাইছে। কেৰালাৰ কোচিস্থিত দেশৰ প্ৰথম ৱাটাৰ মেট্ৰ'ৰ সফলতাৰ পাছত আন ২৪খন চহৰত জলপথেৰে যাতায়তৰ সম্ভাৱনা অন্বেষণৰ ব্যতিক্ৰমী পদক্ষেপ লোৱা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কোচি ৱাটাৰ মেট্ৰ'ৰ সফলতাক প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বত সূচনা হোৱা ভাৰতৰ উদ্ভাৱনী কৌশল, আত্মনিৰ্ভৰশীলতা আৰু জল পৰিবহন খণ্ডৰ সবলীকৰণৰ অনন্য নিদৰ্শন বুলি অভিহিত কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৱাটাৰ মেট্ৰ'ৰ প্ৰযুক্তিগত সম্ভাৱনীয়তাৰ অধ্যয়নৰ অন্যতম হিচাপে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰক বাছনি কৰাৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক ধন্যবাদ জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কৈছে যে ৰাজ্যৰ বিশাল নদী নেটৱৰ্কেৰে গুৱাহাটী, ডিব্ৰুগড় আৰু তেজপুৰৰ দৰে ঠাইত নগৰকেন্দ্ৰিক যাতায়াতৰ ৰূপান্তৰৰ অপাৰ সম্ভাৱনা বহন কৰি আহিছে।

ooooo

ৰাজ্যত সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰাৰ্থীৰ মনোনয়ন দাখিলকে ধৰি অন্যান্য প্ৰস্তুতি অব্যাহত আছে। নিৰ্বাচনৰ মনোনয়ন দাখিলৰ পৰহিলৈ সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে আগতীয়াকৈ সকলো দিশ চোৱাচিতা কৰিছে। কামৰূপ নিৰ্বাচনী জিলাই ৩৮

গৰাকী আৰু ৰঙিয়া সমজিলাই ৪ গৰাকী প্ৰিজাইডিং বিষয়া নিয়োগ কৰিছে। জিলা পৰিষদৰ সদস্যৰ মনোনয়ন পত্ৰ সংগ্ৰহ আৰু দাখিলৰ বাবে ইতিমধ্যে অতিৰিক্ত আয়ুক্ত, সমজিলা আয়ুক্ত, আঞ্চলিক পঞ্চায়তৰ বাবে সহকাৰী জিলা আয়ুক্ত আৰু পঞ্চায়ত সমষ্টিৰ ৱাৰ্ড সদস্যৰ বাবে উন্নয়ন খণ্ড বিষয়াসকলক নিয়োগ কৰা হৈছে। প্ৰাৰ্থীসকলে নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়তে সংশ্লিষ্ট মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এইদৰে কয়—-

**বাইট (দেৱ কুমাৰ মিশ)**

ৰাজ্যৰ বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা দেখিবলৈ পোৱা গৈছে।

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি নিৰ্বাচনী বিষয়াৰ অধ্যক্ষতাত সমাগত পঞ্চায়ত নিৰ্বাচনৰ সৈতে সংগতি ৰাখি মাষ্টাৰ ট্ৰেইনাৰসকলক তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে অৱগত কৰাৰ উদ্দেশ্যে প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্তগৰাকীয়ে নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে মাষ্টাৰ ট্ৰেইনাৰসকলক দিয়া দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ আহ্বান জনায়। সভাত জিলা উন্নয়ন আয়ুক্ত, তিতাবৰৰ সমজিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, চক্ৰবিষয়া, নিৰ্বাচনী বিষয়া প্ৰমুখ্যে মাষ্টাৰ ট্ৰেইনাৰ আৰু নিৰ্বাচনৰ লগত জড়িত বিষয়াসকলক উপস্থিত থাকে।

গোলাঘাট বিধানসভা সমষ্টিত বিজেপি নেত্ৰী তথা বিত্তমন্ত্ৰী অজন্তা নেওগে দলীয় প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ পৰ্যবেক্ষণ কৰে। জিলাখনত অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টিৰ মাজত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ আসন বুজাবুজিৰ সন্দৰ্ভত বৰ্তমানেও প্ৰাৰ্থীৰ তালিকা চূড়ান্ত হোৱা নাই।

০০০০০

চৰকাৰৰ ন্যায়িক বিভাগে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন লোক অধিবক্তা হিচাপে কৌস্তভ গগৈক নিযুক্তি দিছে আৰু জয়ন্ত চুতীয়াক অতিৰিক্ত লোক অধিবক্তাৰ দায়িত্ব প্ৰদান কৰিছে। উল্লেখযোগ্য যে পূৰ্বৰ লোক অধিবক্তা মাখন ফুকনক কিছুদিন পূৰ্বে চৰকাৰে প্ৰচিকিউচন সঞ্চালয়ৰ সঞ্চালক হিচাপে নিযুক্তি দিয়াত উচ্চ ন্যায়ালয়ৰ লোক অধিবক্তাৰ পদ খালী হৈ আছিল।

০০০০০

খানাপাৰা আৰু যোৰাবাটৰ মাজৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জৰুৰী মেৰামতিৰ বাবে এই পথছোৱাৰে যাতায়াত কৰা যান-বাহনসমূহৰ ক্ষেত্ৰত মহানগৰ আৰক্ষীয়ে কেতবোৰ বাধা নিষেধ আৰোপ কৰিছে।

সেই অনুসৰি উজনি অসমৰ পৰা নামনি অসমলৈ অহা সকলোবোৰ মালবাহী ট্ৰাক কলিয়াবৰ তিনিআলি-তেজপুৰৰ মিছন চাৰিআলি-মঙলদৈ-বাইহাটা চাৰিআলি হৈ চলাচল কৰিব লাগিব।

মেঘালয়, নগাঁও আৰু মৰিগাঁৱৰ পৰা অহা সকলো মালবাহী ট্ৰাক কেৱল নিশা ১০ বজাৰ পৰা পুৱা ৬ বজাৰ ভিতৰতহে গুৱাহাটী মহানগৰীত প্ৰৱেশ কৰিব পাৰিব।

উজনি অসমৰ পৰা অহা সকলোবোৰ লঘু যান-বাহন ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা আমছিং যোৰাবাট-নাৰেঙ্গী সেনা শিবিৰ-পাথৰকুৰেৰী অথবা চন্দ্ৰপুৰ-পানীখাইটি-নাৰেঙ্গী নতুবা চামতা-মায়ং-চন্দ্ৰপুৰ-পানীখাইটি-নাৰেঙ্গী কিম্বা জাগীৰোড-মায়ং-চন্দ্ৰপুৰ-পানীখাইটি-নাৰেঙ্গী হৈ মহানগৰীত প্ৰৱেশ কৰিব পাৰিব। পৰৱৰ্তী জাননী প্ৰকাশ নকৰা পৰ্যন্ত এই নিষেধাজ্ঞা অব্যাহত থাকিব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০

অসম কৃষি বিশ্ববিদ্যালয়ৰ ২৫ সংখ্যক সমাৱৰ্তন সমাৰোহ আজি বিশ্ববিদ্যালয়খনৰ যোৰহাটৰ মূল চৌহদত অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ পৌৰোহিত্যত অনুষ্ঠিত

এই সমাৰোহত অসম কৃষি আয়োগৰ অধ্যক্ষ ড০ হৰিশংকৰ গুপ্তাই ভাষণ দিয়ে। সমাৱৰ্তনত অৰণ্য মানৱ মানৱ হিচাপে খ্যাত যাদৱ পায়েং আৰু গ্ৰীণ অস্কাৰ বিজয়ী পূৰ্ণিমা দেৱী বৰ্মনক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ অধীনত ৯খন মহাবিদ্যালয়ৰ পৰা স্নাতক, স্নাতকোত্তৰ ডিগ্ৰী আৰু পি এইছ ডি লাভ কৰা ৫৪৮গৰাকী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে ডিগ্ৰীৰ প্ৰমাণপত্ৰৰ লগতে সোণৰ পদক আৰু অন্য পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। কৃষি মন্ত্ৰী অতুল বৰাই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় পৰিষদৰ অন্তৰ্গত এই বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলসমূহ কাইলৈ ঘোষণা কৰাৰ সম্ভাৱনা আছে। যোৱা ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত এই পৰীক্ষাৰ ফলাফল অভিলেখ সময়ৰ ভিতৰত এইবাৰ ঘোষণা কৰাৰ দিহা কৰা হৈছে। আমাৰ বিশেষ সংবাদদাতাই জনোৱা মতে পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা কৰা সন্দৰ্ভত পৰিষদৰ তৰফৰ পৰা চৰকাৰীভাৱে এতিয়াও একো জনোৱা হোৱা নাই যদিও কাইলৈ পুৱাৰ ভাগত এই সম্পৰ্কীয় চৰকাৰী অধিসূচনা জাৰি কৰাৰ সম্ভাৱনা আছে।

০০০০০

কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে সকলো চৰকাৰী আৰু প্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ মুৰব্বীলৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি সকলো শিক্ষকে পুৱা ৯ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব আৰু নিৰ্ধাৰিত সময়তহে বিদ্যালয় ত্যাগ কৰিব পাৰিব। বিদ্যালয়ত প্ৰৱেশ আৰু প্ৰস্থানৰ সময় শিক্ষা সেতু এপত প্ৰতিফলিত হ'ব লাগিব। কোনো এগৰাকী শিক্ষকে একেৰাহে তিনি দিন বিদ্যালয়ত পলমকৈ উপস্থিত হ'লে তেওঁৰ এদিনৰ নৈমত্তিক ছুটী কৰ্তন হ'ব। নিৰ্দেশনা অনুসৰি সকলো প্ৰাথমিক বিদ্যালয় দিনৰ ২ বাজি ৫ মিনিট তথা মধ্য ইংৰাজী বিদ্যালয়, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় বিয়লি ৩ বাজি ২৫ মিনিট পৰ্যন্ত খোলা ৰাখিব লাগিব। অনা শিক্ষক-কৰ্মচাৰীসকল পুৱা ১০ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত লাগিব আৰু বিয়লি চাৰে চাৰি বজালৈকে বিদ্যালয়ত উপস্থিত থাকিব লাগিব। স্নাতকোত্তৰ শিক্ষকসকলে হাইস্কুল শাখাতো পাঠদান কৰিব লাগিব বুলি নিৰ্দেশটোত স্পষ্ট কৰি দিয়া হৈছে। নেটৱৰ্কৰ বিজুতিৰ বাবে শিক্ষা সেতু এপত সমস্যাৰ সৃষ্টি হ'লে জিঅ' টেগ ফটো হোৱাটছএপত পঠিয়াব লাগিব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি দুপৰীয়া দিছপুৰৰ জনতা ভৱনত বিভাগীয় বিষয়াবৰ্গ, অসম স্থাৱৰ সম্পত্তি আৰু আন্তঃগাঁথনি উন্নয়ন সংস্থাৰ প্ৰতিনিধিবৰ্গ আৰু অনলাইন গৃহ নিৰ্মাণ অনুমতি ব্যৱস্থাৰ ছফ্টৱেৰ ডেভেলপাৰসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত অনলাইন গৃহ অনুমতি প্ৰক্ৰিয়াৰ সৈতে জড়িত বিভিন্ন বিষয় সামৰি লোৱা হয়। আলোচনাত ব্যৱস্থাটো স্বচ্ছ, সুশৃংখলিত আৰু অধিক কাৰ্যক্ষম কৰাৰ উদ্দেশ্যে মানৱ হস্তক্ষেপ কম কৰাত গুৰুত্ব আৰোপ কৰা হয়।

মন্ত্ৰীগৰাকীয়ে বিয়লি ভাগলৈ গুৱাহাটী মহানগৰীৰ ঘৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা জাবৰ-জোথৰ সংগ্ৰহৰ কামত নিয়োজিত বেচৰকাৰী সংস্থাসমূহৰ প্ৰতিনিধিৰ সৈতে আন এখন বৈঠকত মিলিত হয়। বৈঠকত আৱৰ্জনা সংগ্ৰহ আৰু নিষ্কাষণ ব্যৱস্থা উন্নীতকৰণ আৰু বৰ্তমানৰ ব্যৱস্থাৰ ত্ৰুটিসমূহ দূৰ কৰাৰ বিষয়ে আলোচনা কৰা হয়।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণুয়ে মহাধিবক্তা দেৱজিৎ শইকীয়া জড়িত থকা গোচৰসমূহ ন্যায়াধীশ সুমন শ্যামৰ বিচাৰপীঠত তালিকাভুক্ত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে মহাধিবক্তাগৰাকীয়ে শেহতীয়াকৈ তিনিজনকৈ অধিবক্তাৰ বিৰুদ্ধে ফৌজদাৰী মানহানিৰ গোচৰ ৰুজু কৰিছিল। কালি ন্যায়ালয়ে এই গোচৰ সন্দৰ্ভত ৰায় সংৰক্ষিত ৰাখিছিল। উচ্চ ন্যায়ালয় মুখ্য ন্যায়াধীশে আজি বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি মহাধিবক্তা শইকীয়া জড়িত থকা গোচৰসমূহ ন্যায়াধীশ সুমন শ্যামৰ বিচাৰপীঠত তালিকাভুক্ত নকৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

কোকৰাঝাৰৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ত আজি গ্ৰীণ বড়োলেণ্ড অভিযানৰ সৈতে জড়িত যুৱ ক্লাবসমূহৰ মাজত আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰা হয়। এই উদ্যমৰ অংশ হিচাপে পৰিৱেশ অভিযানৰ তৃণমূল পৰ্যায়ত অংশগ্ৰহণ বৃদ্ধিৰ বাবে ১১৫টা যুৱ ক্লাবক ৫০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। অনুষ্ঠানত বি টি চিৰ কাৰ্যবাহী সদস্য সজল সিনহা, উইলছন হাজদা, বি টি চি পৰিষদৰ সদস্য ৰিঅ'ৰিয়াও নাৰ্জাৰী, বড়োলেণ্ড বিশ্ববিদ্যালয় উপচাৰ্য প্ৰফেচাৰ বাবুলাল আহুজা আৰু মিছন সঞ্চালক মনোৰঞ্জন দাস উপস্থিত থাকে।

০০০০০

গছ-বিৰিখে কুঁহিপাত সলাই, কুলি-কেতেকীয়ে গীত জুৰি বসন্তৰ আগজাননী দিয়াৰ লগে লগে অসমবাসী হেঁপাহৰ ৰঙালী বিহু পালনৰ বাবে সাজু হৈছে। উজনিৰ পৰা নামনিলৈ বিহুৰ আখৰা কৰা ডেকাৰ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৱত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বিহুলৈ মাজত চাৰিটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। প্ৰতিকূল সময়ৰ প্ৰত্যাহ্বান নেওচি অসমীয়াই বছৰি হেঁপাহৰ উৎসৱটি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰি আহিছে। এইবাৰো চৌদিশে পঞ্চায়ত নিৰ্বাচনৰ ব্যস্ততাৰ মাজতো অসমবাসীৰ বিহুৰ উৎসাহ অটুট আছে। গুৱাহাটী মহানগৰীত বিহুৰ প্ৰস্তুতি অব্যাহত থকাৰ লগতে অসমীয়া নৱবৰ্ষৰ বাবে নতুন সাজ-পাৰ ক্ৰয় কৰি আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইপিনে, ভৌগালিক সূচাংক লাভ কৰা গামোচাৰ চাহিদা বৃদ্ধি হোৱাৰ বিপৰীতে প্ৰশাসনে বহিঃৰাজ্যত প্ৰস্তুত কৰা যন্ত্ৰচালিত শালত প্ৰস্তুত কৰা গামোচাৰ আমদানি ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। আনহাতে, ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে।

ৰাজ্যৰ অন্য জিলাসমূহৰ লগতে গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত বিহুৰ আখৰা আৰু কৰ্মশালা চলি আছে। গোৱালপাৰা চহৰৰ বিহু ফিল্ডত অহা ১৪ এপ্ৰিলৰ পৰা চাৰিদিনীয়াকৈ ৰঙালী বিহু উদযাপন কৰা হ'ব।

০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত আৰু জিলা প্ৰশাসনসমূহৰ সহযোগত ৰাজ্যৰ বিভিন্ন ঠাইত অসমী ব'হাগী মেলা-২০২৫ অনুষ্ঠিত হৈছে। পশ্চিম কাৰ্বি আংলং জিলাৰ সদৰ হামৰেণত আজি তিনিদিনীয়া কাৰ্যসুচীৰে এই মেলাৰ শুভাৰম্ভ কৰা হয়। স্থানীয় বিধায়ক ৰূপসিং তেৰণে আনুষ্ঠানিকভাৱে মুকলি কৰা এই মেলাত বিভিন্ন চৰকাৰী বিভাগৰ বিপণীৰ লগতে বিশেষভাৱে সফলতা লাভ কৰা আত্মসহায়ক গোটসমূহৰ দ্বাৰা প্ৰস্তুত সামগ্ৰীৰ বিক্ৰী তথা প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত জিলাখনৰ ৩ হাজাৰ ২৯৫টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে। মেলাখন উদ্বোধন কৰি বিধায়ক তেৰণে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব'হাগী মেলা আয়োজনৰ ক্ষেত্ৰত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে এইদৰে অৱগত কৰে–

**বাইট (ৰূপসিং তেৰণ)**

হাটশিঙিমাৰীতো আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অসমী ব'হাগী মেলা অনুষ্ঠিত হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই আনুষ্ঠানিকভাৱে আজি এই মেলা উদ্বোধন কৰে। জিলাখনৰ বিভিন্ন আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত সামগ্ৰী তথা বিক্ৰী এই মেলাত ৩০ খন বিপণী মুকলি কৰা হৈছে। অসমী ব'হাগী মেলাৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰী আৰু আত্মসহায়ক গোটসমূহৰ মাজত পৰম্পৰাগত খেল-ধেমালিৰ প্ৰতিযোগিতা, বিহু নাচ, পৰম্পৰাগত সাজপাৰ, লোকগীত আৰু আধুনিক গীতৰ প্ৰতিযোগিতা, আলোচনা চক্ৰ আদি কাৰ্যসূচী হাতত লোৱা হৈছে।

কোকৰাঝাৰতো চাৰিদিনীয়াকৈ অসমী ব'হাগী মেলা বা বৈশাগু মেলা অনুষ্ঠিত হৈছে। তিতাগুৰিৰ ইৰাগদাও কমিউনিটি হলত অনুষ্ঠিত এই মেলাত স্থানীয় আত্মসহায়ক গোটসমূহে প্ৰস্তুত কৰি উলিওৱা বাৰেৰহণীয়া থলুৱা সাংস্কৃতিক সামগ্ৰীৰ প্ৰয়োভৰ দেখিবলৈ পোৱা গৈছে।

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত দৰং জিলা প্ৰশাসনৰ সহযোগত মঙলদৈত ব'হাগী মেলা অনুষ্ঠিত হৈছে। জিলাখনৰ আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে আজি এই মেলা উদ্বোধন কৰে।

ooooo

অসম গৰিয়া পৰিষদৰ উদ্যোগত আজি গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাকৰিত প্ৰায় এহেজাৰ শিল্পীয়ে জিকিৰ পৰিৱেশন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিল্পীসকলে পৰিৱেশন কৰা **মোৰ মনত ভেদভাৱ নাই অ আল্লাহ** শীৰ্ষক জিকিৰে কলাক্ষেত্ৰৰ বাকৰি মুখৰিত কৰি তোলে। অসম গৰিয়া পৰিষদৰ নেতৃবৃন্দই অসমীয়া সংস্কৃতিৰ গুৰুত্বপূৰ্ণ অংগ আজান ফকিৰৰ জিকিৰসমূহ জীয়াই ৰখাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা বুলি প্ৰকাশ কৰে। তেওঁলোকে বিহু আৰু ঝুমুইৰ দৰেই জিকিৰৰো প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে যথোচিত ব্যৱস্থা ল'বলৈ ৰাজ্য চৰকাৰক আহ্বান জনায়।

ooooo

বৰপেটা জিলা ক্ৰিকেট দলে ১৪ বছৰ অনুৰ্দ্ধ পুলিন দাস আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ নামনি অসম মণ্ডলৰ খিতাপ অৰ্জন কৰিছে। দলটোৱে আজি বৰপেটা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত ফাইনেল খেলখনত কোকৰাঝাৰক ২৫ ৰাণত পৰাস্ত কৰে। খেলখনত বৰপেটা দলে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২৫ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৯২ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত কোকৰাঝাৰ দলে ২৫ অভাৰত ৬টা উইকেটৰ বিনিময়ত ৭৭ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া এখন খেলত গুজৰাট টাইটানছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱা নিশা চণ্ডীগড়ত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে চেন্নাই ছুপাৰ কিংছক ১৮ ৰাণত পৰাস্ত কৰে। একেদৰে ইডেন গাৰ্ডেনছত অনুষ্ঠিত কালিৰ আন এখন খেলত  লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে কলকাতা নাইট ৰাইডাৰ্ছক ৪ ৰাণত পৰাস্ত কৰে।

ooooo

সমাপ্ত